# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 14-March-2026
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

——————————————————

### HEADLINES
::::::::::::::::::

১। শিলচৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ২৩ হাজাৰ ৫৫০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন।

২। বিজেপিৰ যুৱ শক্তি সমাৰোহত অংশগ্ৰহণৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি গুৱাহাটীত উপস্থিত।

৩। পাণ্ডু বন্দৰৰ পৰা ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী এলিভেটেড কৰিড'ৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ পৰিদৰ্শন।

**আৰু**

৪। কাছাৰৰ শ্ৰীকোণাত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বৰাক উপত্যকাৰ বাবে নিৰ্মিত অসম সচিবালয় উদ্বোধন।

ooooo

দুদিনীয়া ভ্ৰমণসূচীৰে কালি অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি শিলচৰত ২৩ হাজাৰ ৫৫০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। বৰাক উপত্যকা তথা উত্তৰ-পূব ভাৰতৰ যোগাযোগৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ব্যৱস্থা হিচাপে প্ৰধানমন্ত্ৰীয়ে ২২ হাজাৰ ৮৬৪ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া গুৱাহাটী-শিলচৰ হাইস্পীড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পই গুৱাহাটী আৰু শিলচৰৰ মাজৰ যাত্ৰাৰ সময় ৫ ঘণ্টালৈ হ্ৰাস কৰাৰ লগতে অসমৰ লগতে উত্তৰ পূৰ্বাঞ্চলৰ বাণিজ্য, পৰ্যটন আৰু সামগ্ৰিক উন্নয়নত নতুন গতি আনিব বুলি আশা কৰা হৈছে। শ্ৰীমোদীয়ে অনুষ্ঠানত দিয়া ভাষণত এই হাইস্পীড কৰিড'ৰে বৰাক উপত্যকাৰ উন্নয়ন ত্বৰান্বিত কৰিব বুলি আশা প্ৰকাশ কৰে। কেইবা দশকজোৰা প্ৰতীক্ষাৰ অন্ত পেলাই এই কৰিড'ৰে মিজোৰাম, মণিপুৰ আৰু ত্ৰিপুৰাৰ সৈতে যোগাযোগ ব্যৱস্থা শক্তিশালী কৰি তুলিব বুলি প্ৰধানমন্ত্ৰী মোদীয়ে আশা প্ৰকাশ কৰে। এই পদক্ষেপ অসমক দক্ষিণ-পূব এছিয়াৰ সৈতে যোগাযোগৰ উপযুক্ত মাধ্যম হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত অন্যতম গুৰুত্বপূৰ্ণ হিচাপে পৰিগণিত হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

শ্ৰীমোদীয়ে এই অনুষ্ঠানতে প্ৰায় ৫৬৫ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰিবলগীয়া শিলচৰ নগৰৰ বহু প্ৰতীক্ষিত উৰণ সেতু আৰু ১২২ কোটি টকা ব্যয় সাপেক্ষ পাথাৰকান্দি কৃষি মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। শিলচৰৰ অম্বিকাপুৰত আজি এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বৰাক উপত্যকা উন্নয়ন বিভাগৰ মন্ত্ৰী কৌশিক ৰায়কে ধৰি কেইবাগৰাকী সাংসদ আৰু বিধায়ক উপস্থিত আছিল।

ইয়াৰ পূৰ্বে কালি ভ্ৰমণৰ প্ৰথম দিনা প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে কোকৰাঝাৰত ৪ হাজাৰ ৫৭০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও আন্তঃগাঁথনিমূলক প্ৰকল্প মুকলি কৰাৰ লগতে আধাৰশিলা স্থাপন কৰে। ইয়াৰ পাছতে গুৱাহাটীৰ খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত তেওঁ ১৩ হাজাৰ ২৯০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাডপন কৰে। শ্ৰীমোদীয়ে এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ ২২ সংখ্যক কিস্তিৰ প্ৰায় ১৮ হাজাৰ ৬০০ কোটি টকা মুকলি কৰে। ইয়াৰ জৰিয়তে অসমৰ ১৮ লাখ ৫৯ হাজাৰ কৃষককে ধৰি দেশৰ ৯ কোটি ৩২ লাখ কৃষক উপকৃত হ'ব।

অসম ভ্ৰমণসূচী সামৰি প্ৰধানমন্ত্ৰী মোদীয়ে আজি পশ্চিম বংগলৈ ৰাওনা হৈছে।

০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ আজি অসমলৈ আহিব। মন্ত্ৰীগৰাকীয়ে আজি সন্ধিয়া বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত উপস্থিত হ'ব। শ্ৰীশ্বাহে কাইলৈ ভাৰতীয় জনতা যুৱ মৰ্চাৰ উদ্যোগত খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আয়োজিত যুৱ শক্তি সমাৰোহত অংশগ্ৰহণ কৰিব। আজি ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া, মন্ত্ৰী পীযুষ হাজৰিকা, বৈদেশিক পৰিক্ৰমা  ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাকে ধৰি কেইবাগৰাকীও মন্ত্ৰী তথা দলৰ জ্যেষ্ঠ নেতাই সমাৰোহৰ প্ৰস্তুতিৰ বুজ লয়।

মন্ত্ৰীগৰাকীয়ে কাইলৈ প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয়ত আয়োজিত এটা অনুষ্ঠানত ভাৰ্চুৱেল ব্যৱস্থাৰে গোলাঘাট আৰু তিনিচুকীয়া কৰ্কট কেন্দ্ৰকে ধৰি কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ শুভাৰম্ভ আৰু আধাৰশিলা স্থাপন কৰিব।

০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি পাণ্ডু বন্দৰৰ পৰা ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী এলিভেটেড কৰিড'ৰ পৰিদৰ্শন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ভাৰ্চুৱেল ব্যৱস্থাৰে এই বিকল্প পথছোৱা মুকলি কৰিছিল। এহেজাৰ ৮০ মিটাৰ দৈৰ্ঘ্যৰ এই পথছোৱা নিৰ্মাণৰ ফলত অসমসহ উত্তৰ পূৰ্বাঞ্চলৰ যাতায়াত আৰু যোগাযোগ ব্যৱস্থা উন্নত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। অসমৰ লগতে উত্ত পূৰ্বাঞ্চলৰে জাহাজ চলাচলৰ ক্ষেত্ৰত সুবিধা হোৱাকৈ নতুন প্ৰযুক্তিৰ ব্যৱহাৰ আৰু ব্ৰহ্মপুত্ৰ খননৰ জৰিয়তে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। ইয়াৰ জৰিয়তে যাত্ৰীৰ ভ্ৰমণ আৰু সামগ্ৰী সৰবৰাহত বিশেষভাৱে সুবিধা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

বাইট (সৰ্বানন্দ)

০০০০০

কছাৰ জিলাৰ শিলচৰৰ সমীপৰ শ্ৰীকোণাত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বৰাক উপত্যকাৰ বাবে নিৰ্মিত অসম সচিবালয় উদ্বোধন কৰে। সচিবালয় উদ্বোধন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জনসাধাৰণৰ ওচৰলৈ চৰকাৰী ব্যৱস্থা লৈ যোৱাৰ বাবে এই পদক্ষেপ লোৱা হৈছে। ইয়াৰ জৰিয়তে প্ৰশাসনক অধিক বিকেন্দ্ৰীকৃত কৰাৰ মানসেৰে ক্ষমতা হস্তান্তৰ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

বাইট (চি এম)

মুখ্যমন্ত্ৰীয়ে আজি শিলচৰত বি এছ এফৰ জোৱানসকলক সাক্ষাৎ কৰি তেওঁলোকৰ নিষ্ঠা আৰু অক্লান্ত সেৱাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰৰ সৈতে সুসমন্বয় ৰক্ষা কৰি বি এছ এফে অনুপ্ৰবেশৰ বিৰুদ্ধে কঠোৰ নিৰীক্ষণ অব্যাহত ৰাখিছে আৰু ৰাজ্যখনৰ সীমা, ভূমি আৰু পৰিচয় সুৰক্ষিত ৰখাৰ বাবে

নিৰন্তৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। মুখ্যমন্ত্ৰীয়ে জিলাখনৰ দৰগাকোণাৰ মিঠাপানীত ৰাজ্য চৰকাৰৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগে নিৰ্মাণ কৰা সন্মিলন কক্ষ উদ্বোধন কৰে।

ooooo

ৰাজ্যৰ শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী উন্নয়ন মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি বিধানসভা সমষ্টিত এলানি উন্নয়নমূলক আঁচনিৰ আধাৰশিলা স্থাপন কৰে। মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা ২০২৫-২৬ বৰ্ষৰ অধীনত উত্তৰ ধেমাজি পঞ্চায়তৰ মাজগাঁৱৰ পৰা টঙনাপাৰা নেপালীলৈ ১ কোটি টকা ব্যয়সাপেক্ষ পথৰ লগতে মাজগাঁও তিনিআলিৰ পৰা শান্তিপুৰ দৈনিক বজাৰ হৈ আমগুৰি অভিমুখী পথছোৱাৰ আধাৰশিলা স্থাপন কৰে। তেওঁ ২০২৫-২৬ বৰ্ষৰ প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত নিৰ্মাণ হ'বলগীয়া ন-নদীৰ পৰা গোঁহাইবাৰী সংযোগী পথটোৰো আধাৰশিলা স্থাপন কৰে।

ooooo

আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন কৃষি বিজ্ঞানী ড০ দীপজ্যোতি ৰাজখোৱাক অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে নিযুক্তি দিয়া হৈছে। ৰাজ্যপাল তথা বিশ্ববিদ্যালয়খনৰ আচাৰ্য লক্ষ্মণ প্ৰসাদ আচাৰ্যই কালি কৃষি বিজ্ঞানীগৰাকীক নিযুক্তি দিয়াৰ পাছত তেওঁ বিশ্ববিদ্যালয়খনত যোগদান কৰে। উল্লেখযোগ্য যে নৱনিযুক্ত উপাচাৰ্য ড০ ৰাজখোৱাই বিশ্ববিদ্যালয়খনৰ চতুৰ্দশ উপাচাৰ্য হিচাপে দায়িত্ব পালন কৰিব। ড০ ৰাজখোৱাই অসম কৃষি বিশ্ববিদ্যালয়ৰ পৰা কৃষি বিভাগত স্নাতক, স্নাতকোত্তৰ আৰু পি এইছ্ ডি লাভ কৰাৰ পাছত বিশ্ববিদ্যালয়খনতে অধ্যাপক হিচাপে দায়িত্ব পালন কৰিছিল। পাছলৈ ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ মেঘালয়ৰ উমিয়ামস্থিত গৱেষণা চৌহদৰ প্ৰধান বিজ্ঞানী আৰু মুৰব্বী তথা প্ৰাকৃতিক সম্পদ ব্যৱস্থাপনা বিভাগৰ বিভিন্ন পদবীত কাৰ্যনিৰ্বাহ কৰি নাগালেণ্ডৰ এই কেন্দ্ৰৰো যুটীয়া সঞ্চালক হিচাপে তেওঁ কাৰ্যনিৰ্বাহ কৰে। বিভিন্ন সন্মানেৰে সন্মানিত ড০ ৰাজখোৱাই ১৯৬খন গৱেষণা পত্ৰ, ১৭খন গ্ৰন্থ প্ৰণয়নেৰে কৃষি গৱেষণালৈ বৰঙণি যোগাই আহিছে।

ooooo

গোলাঘাট জিলা প্ৰশাসনৰ উদ্যোগত আজি জিলাখনৰ চাহ বাগিচাৰ শ্ৰমিক পৰিয়ালক আনুষ্ঠানিকভাৱে ভূমি পট্টা প্ৰদান কৰা হয়। এই উপলক্ষে আয়োজিত কাৰ্যসূচীত জিলাখনৰ ১১ খন চাহ বাগিচাৰ দুহেজাৰ ৯৩১ টা পৰিয়ালক ভূমি পট্টা বিতৰণ কৰা হয়। জিলাখনৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত ভূমি পট্টা বিতৰণ কাৰ্যসূচীত জনপ্ৰতিনিধিৰ লগতে জিলা প্ৰশাসনৰ বিষয়াসকলে অংশগ্ৰহণ কৰে। কৃষি মন্ত্ৰী অতুল বৰাই বোকাখাট চাহ বাগিচাৰ ২১০ টা পৰিয়ালক আৰু ৰঙামাটি চাহ বাগিচাৰ ৫১৬ টা পৰিয়ালক ভূমি পট্টা প্ৰদান কৰে। বিধায়ক মৃণাল শইকীয়াই ৰঙাজান বাগিচাত চাহ শ্ৰমিকসকলক ভূমি পট্টা বিতৰণ কৰে। জিলা আয়ুক্ত পূবালী গোহাঁয়ে দয়াং চাহ বাগিচাত আয়োজিত ভূমি পট্টা বিতৰণ কাৰ্যসূচীত অংশ লয়।

বঙাইগাঁও জিলাৰ বীৰঝৰা চাহ বাগিচাৰ কৰ্মীসকলকো আজি ডিজিটেল ভূমি পট্টা প্ৰদান কৰা হয়। জিলা আয়ুক্ত কাৰ্যালয়ত অনুষ্ঠিত এই কাৰ্যসূচীত বিধায়িকা দিপ্তীময়ী চৌধুৰীয়ে ২২২ গৰাকী হিতাধিকাৰীক ভূমিপট্টা বিতৰণ কৰে।

ooooo

সমাপ্ত